# অসম বিধান সভা
## তৰা বিহীন প্ৰশ্ন নং:২৮
## উত্তৰ দিয়া তাৰিখ:০৬/০৭/২০২৬

বিষয় : চৰ অঞ্চলত পশু চিকিৎসাৰ  সম্পৰ্কে

শ্ৰীমহিবুৰ ৰহমান: বিধায়ক

মাননীয় পশু পালন ও পশু চিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ৰাজ্যত পশু চিকিৎসকৰ খালী পদৰ সংখ্যা কিমান ?

(খ) ৰাজ্যত পশু চিকিৎসা সহায়কৰ খালী পদৰ সংখ্যা কিমান ? (জিলা ভিত্তিত দিব।)

(গ) দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ চৰ অঞ্চলত পশুপালন আৰু পশুচিকিৎসা ব্যৱস্থা উন্নত কৰাৰ বাবে বিভাগে কি কি পদক্ষেপ গ্ৰহণ কৰিছে ?

## : উত্তৰ :

মাননীয় পশু পালন ও পশু চিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়া শ্ৰীমতী নীলিমা দেৱীয়ে উত্তৰ দিব:

(ক)  ৰাজ্যত পশু চিকিৎসকৰ খালী পদৰ সংখ্যা হৈছে- ১৩৭

(খ) ৰাজ্যত পশু চিকিৎসা সহায়কৰ খালী পদৰ সংখ্যা হৈছে - ৩৭৪

| ক্ৰমিক নং | জিলা | অনুমোদিত পদৰ সংখ্যা | কৰ্মৰত পশু চিকিৎসা সহায়কৰ পদৰ সংখ্যা | খালী পদ |
|---|---|---|---|---|
| ১ | বাক্সা | ২১ | ১৩ | ৮ |
| ২ | বজালী | ০ | ০ | ০ |
| ৩ | বৰপেটা | ১০৫ | ৯৭ | ৮ |
| ৪ | বিশ্বনাথ | ২২ | ১৯ | ৩ |
| ৫ | বঙাইগাঁও | ২২ | ২০ | ২ |
| ৬ | কাছাৰ | ১৪৩ | ১৩৯ | ৪ |
| ৭ | চৰাইদেউ | ১৪ | ১১ | ৩ |
| ৮ | চিৰাং | ১৯ | ১০ | ৯ |
| ৯ | দৰং | ৩১ | ২৯ | ২ |
| ১০ | ধেমাজি | ৩০ | ২৮ | ২ |
| ১১ | ধুবুৰী | ৩০ | ২৭ | ৩ |
| ১২ | ডিব্ৰুগড় | ৩৮ | ৩৪ | ৪ |
| ১৩ | ডিমা হাছাও | ৫৬ | ৪৩ | ১৩ |
| ১৪ | গোৱালপাৰা | ৩৪ | ৩১ | ৩ |
| ১৫ | গোলাঘাট | ৪৩ | ৩৮ | ৫ |
| ১৬ | হাইলাকান্দি | ৩১ | ৩০ | ১ |
| ১৭ | হোজাই | ২৮ | ২৬ | ২ |
| ১৮ | যোৰহাট | ৫ | ৫ | ০ |
| ১৯ | কামৰূপ (মহানগৰ) | ৪৩৬ | ৩৯১ | ৪৫ |
| ২০ | কামৰূপ (গ্ৰাম্য) | ১৮ | ১৭ | ১ |
| ২১ | কোকৰাঝাৰ | ১৩০ | ৭৭ | ৫৩ |
| ২২ | লখিমপুৰ | ১৪৯ | ১০৫ | ৪৪ |
| ২৩ | মাজুলী | ১১ | ৬ | ৫ |
| ২৪ | মৰিগাঁও | ৩০ | ৩০ | ০ |
| ২৫ | নগাঁও | ৯৫ | ৮৬ | ৯ |
| ২৬ | নলবাৰী | ৪০ | ৩৬ | ৪ |

| | | | | |
|---|---|---|---|---|
| ২৭ | শিৱসাগৰ | ১২৫ | ১০৩ | ২২ |
| ২৮ | শোণিতপুৰ | ১২৭ | ১০০ | ২৭ |
| ২৯ | দক্ষিণ শালমাৰা | ১৪ | ১০ | ৪ |
| ৩০ | শ্ৰীভূমি | ৩৫ | ২৮ | ৭ |
| ৩১ | তামুলপুৰ | ১৮ | ১৩ | ৫ |
| ৩২ | তিনিচুকীয়া | ৫৭ | ৪৯ | ৮ |
| ৩৩ | ওদালগুৰি | ২৪ | ২০ | ৪ |
| ৩৪ | পশ্চিম কাৰ্বি আংলং | ২২ | ৭ | ১৫ |
| ৩৫ | কাৰ্বি আংলং | ৮৫ | ৩৬ | ৪৯ |
| মুঠ পশু চিকিৎসা সহায়কৰ খালী পদৰ সংখ্যা | | | | **৩৭৪** |

(গ) দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ চৰাঞ্চলত পশুপালন আৰু পশু চিকিৎসা সেৱাৰ উন্নতিৰ বাবে বিভাগে তলত উল্লেখিত পদক্ষেপসমূহ গ্ৰহণ কৰিছে-

১। পশুধনৰ চিকিৎসা সেৱাৰ লগতে যাৱতীয় ঔষধ পাটিৰ যোগান বিশেষভাৱে কৃমিনাশক ঔষধ বিতৰণ আৰু পশুধনৰ বিভিন্ন ৰোগ নিৰ্মূলৰ বাবে নিয়মিত পশু স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰি থকা হৈছে।

২। চবকা (FMD), পি.পি.আৰ. (PPR) আৰু এল.এছ.ডি. (LSD) ৰোগ নিৰ্মূলৰ বাবে গণ টীকাকৰণ কাৰ্যসূচী ৰূপায়ণ কৰি থকা হৈছে।

৩। কৃত্ৰিম প্ৰজননৰ জৰিয়তে থলুৱা জাতৰ গাই গৰুসমূহক উন্নত জাতৰ ষাঁড়ৰ বীৰ্য সংস্থাপন কৰি অধিক উৎপাদনক্ষম বৰ্ণ সংকৰ জাতৰ পোৱালি জন্ম দি অধিক গাখীৰ উৎপাদন কৰাৰ উদ্দেশ্যেৰে এই কাৰ্যসূচী ৰূপায়ণ কৰি থকা হৈছে।

৪। চৰাঞ্চলত কৃত্ৰিম প্ৰজনন (AI) সেৱা বৃদ্ধি কৰাৰ উদ্দেশ্যে "MAITRI" কৰ্মী নিয়োজিত কৰা হৈছে, যাৰ ফলত উক্ত অঞ্চলসমূহত কৃত্ৰিম প্ৰজনন (AI)ৰ হাৰ লক্ষণীয়ভাৱে বৃদ্ধি পাইছে।

৫। বৈজ্ঞানিক পশুপালন ব্যৱস্থাপনা আৰু ৰোগ প্ৰতিৰোধ সম্পৰ্কে পশুপালকসকলৰ মাজত সজাগতা (awareness) সৃষ্টিৰ উদ্দেশ্যে বিভিন্ন  কাৰ্যসূচী ৰূপায়ণ কৰি থকা হৈছে।

৬। পশুপালকৰ জীবিকাৰ মান উন্নত কৰাৰ উদ্দেশ্যৰে বৈজ্ঞানিক ভাৱে ছাগলী পালন, কুকুৰা পালন, ভেড়া পালনৰ বাবে বিভিন্ন সজাগতা মূলক কাৰ্যসূচী ৰূপায়ণ কৰি থকা হৈছে।

৭। ইয়াৰ উপৰিও ২ খন ভ্ৰাম্যমাণ পশু চিকিৎসা সেৱা বাহনে (MVU) পশুপালকসকলৰ দুৱাৰদলিত পশুচিকিৎসা সেৱা আগবঢ়াই আছে।

***উত্তৰ ইতিমধ্যে অনলাইন যোগে প্ৰেৰন কৰা হৈছে***

********